অধ্যায় ৭ ঃ নগেন্দ্র নাৰায়ণ চৌধুৰী ঃ 'টুনী'

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ নগেন্দ্র নাৰায়ণ চৌধুৰী ঃ জীৱন আৰু কৃতি

৭.৩.১ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

৭.৪ 'টুনী'

৭.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

৭.৪.২ গল্পটোৰ কাহিনীভাগ

৭.৪.৩ গল্পটোৰ চৰিত্ৰসমূহ

৭.৪.৪ গল্পটোৰ বিশেষত্ব

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ বিষয়ে জানিব পাৰিব
- নগেন্দ্র নাৰায়ণ চৌধুৰীৰ সাহিত্য কৃতিৰ পৰিচয় লাভ কৰিব
- চৌধুৰীৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিবলৈ সক্ষম হ'ব
- 'টুনী' গল্পটোৰ চৰিত্ৰসমূহৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- 'টুনী' গল্পটোৰ মাজেদি গল্পকাৰ চৌধুৰীৰ সামাজিক দৃষ্টিভঙ্গী কি দৰে প্ৰকাশ পাইছে সেই বিষয়ে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ প্ৰথম বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া চুটিগল্প'ৰ এইটো সপ্তম অধ্যায়। ইয়াত আৱাহন যুগৰ গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্প 'টুনী'ৰ আলোচনা আগবঢ়োৱা হৈছে। *আৱাহন*ৰ প্ৰতিষ্ঠাতা এইগৰাকী কৃতবিদ্য পুৰুষৰ গল্প ৰচনাত শিল্পসুলভ সৌন্দৰ্যতকৈ ব্যক্তি জীৱন আৰু সমসাময়িক সমাজ জীৱনত উদ্ভৱ হোৱা বৰ্ণাঢ্য দিশ আৰু পৰিৱেশ পৰিস্থিতিসমূহে অধিক গুৰুত্ব লাভ কৰিছে।

৭.৩ নগেন্দ্র নাৰায়ণ চৌধুৰী ঃ জীৱন আৰু কৃতি

1881 চন (1803 শকৰ 11 পুহ)ত গোৱালপাৰা জিলাৰ অন্তর্গত মেছপাৰাৰ জমিদাৰ পৰিয়ালত নগেন্দ্র নাৰায়ণ চৌধুৰীৰ জন্ম। তেওঁৰ পিতৃ মেছপাৰাৰ জমিদাৰ খগেন্দ্র নাৰায়ণ চৌধুৰী আৰু মাতৃ সাৰদাপ্রিয়া দেৱী। তেওঁৰ ককাক ৰায়বাহাদুৰ পৃথ্বীৰাম চৌধুৰী এগৰাকী বিদ্যুৎসাহী, বিদ্যানুৰাগী ব্যক্তি আছিল। তেওঁৰ সময়তে মেছপাৰাৰ জমিদাৰৰ ৰাজধানী বর্তমানৰ লক্ষ্মীপুৰত স্থাপিত হৈছিল। তেওঁ শিক্ষাৰ প্রসাৰৰ প্রতি সদা তৎপৰ আছিল। এই মেছপাৰাৰ জমিদাৰ পৰিয়ালৰ বদান্যতাত গোৱালপাৰা নগৰত পোন প্রথমে এখন স্কুল স্থাপিত হৈছিল। সেই স্কুলখনতে নগেন্দ্র নাৰায়ণ চৌধুৰীয়ে কিছু কাল পঢ়িছিল। '*আৰাহনৰ* জন্মদাতা' ৰূপে এই গৰাকী ব্যক্তিয়ে পিছে আদি পাঠ বাংলা মাধ্যমতে শিকিছিল। প্রসঙ্গক্রমে উল্লেখনীয় যে 1836–1873লৈ অসমৰ স্কুল-আদালতত বঙলা ভাষা চলিছিল। বাংলা ভাষা-সাহিত্য-সংস্কৃতিৰ দ্বাৰা প্রভাৱিত তেতিয়াৰ গোৱালপাৰা অঞ্চলত অসমীয়া ভাষা-সংস্কৃতিৰ প্রতি উদাসীন ভাব আছিল। জমিদাৰ পৰিয়ালৰ কোনো কোনো সদস্যৰ দৃষ্টিতো কণমানি নগেন্দ্র নাৰায়ণৰ অসমীয়া ভাষাৰ প্রতি থকা আগ্রহ বৰ সন্তোষজনক নাছিল বুলি স্বয়ং নগেন্দ্র নাৰায়ণ চৌধুৰীয়ে তেওঁৰ *জীৱন-স্মৃতিত* উল্লেখ কৰি গৈছে।

নিজৰ একাণপতীয়া চেষ্টা আৰু অধ্যৱসায়তাৰ গুণত তেওঁ নিজকে অসমীয়া ভাষাত প্রশিক্ষিত কৰি তুলিলে। তেওঁ 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ লগতো জড়িত আছিল। নগেন্দ্র নাৰায়ণৰ জ্ঞানপিয়াসী মনে তেওঁক সাহিত্যৰ লগেলগে সমাজবিজ্ঞান আৰু কলাৰ বিবিধ জ্ঞানৰ ধাৰাৰ প্রতি আকৃষ্ট কৰিছিল। সেই অনুৰূপে তেওঁ বিবিধ বিষয়ক জ্ঞান আহৰণ কৰিছিল। *নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পৰ* সম্পাদক হেমন্ত কুমাৰ শর্মাই উল্লেখ কৰা মতে নগেন্দ্র নাৰায়ণ এণ্ট্রেঞ্চলৈ পঢ়াৰ পিছত দেওঘৰ (বৈদ্যনাথ ধাম), গয়া, ঢাকা, কলিকতা আদি ঠাইত থাকি নানা তৰহৰ বিদ্যা শিকে আৰু বিচিত্র অভিজ্ঞতা লাভ কৰে। চৌধুৰীয়ে কলিকতাৰ 'জুবিলি আর্ট একাডেমী'ত আর্ট (চিত্রকলা) শিক্ষা লাভ কৰিছিল। তেওঁ বিখ্যাত ঐন্দ্রজালিক থার্চটন (Thurston)ৰ ওচৰত ইন্দ্রজাল-বিদ্যা শিকি বিশেষ খ্যাতি আর্জিব পাৰিছিল। নৃত্য, গীত, বাদ্য-সঙ্গীত —এই কেউটা বিষয়তে বিশেষকৈ উচ্চাঙ্গ সঙ্গীতত তেওঁৰ অদ্ভুত ৰাপ আছিল। তেওঁ তবলা, চেতাৰ, এছৰাজ, বেহেলা, বাঁহী আদি বাদ্য বজাব জানিছিল। তেওঁ চিত্রবিদ্যাত নিপুণ হোৱাৰ লগতে অভিনয় কলাৰো অনুশীলন কৰিছিল। তদুপৰি তেওঁ বিভিন্ন খেল, যেনে— লাঠি-চুৰিৰ খেল, মল্লযুদ্ধ আদি বিবিধ খেল অনুশীলন কৰিছিল। এই খেলসমূহৰ উল্লেখ তেওঁৰ 'লাহৰী', 'ওস্তাদজী', 'ভাগ-বাটোৰাৰ', 'অধিকাৰৰ দাবী' আদি গল্পত পোৱা যায়।

চৌধুৰীয়ে দুগৰাকী নাৰীৰ পাণিগ্রহণ কৰিছিল। 1899 চনত তেওঁ কোচবিহাৰৰ এগৰাকী কন্যাক বিয়া কৰায়। বিবাহৰ কিছু কালৰ পিছত পত্নীৰ মৃত্যুৰ পিছত তেওঁ গুৱাহাটী স্থিত আহোম স্বর্গদেউ চন্দ্রকান্ত সিংহৰ নাতিয়েক যুৱৰাজ কেশৱকান্ত সিংহৰ দ্বিতীয়া কন্যা গোবিন্দ কুমাৰী আইদেউক বিয়া কৰায়। বিবাহৰ পিছত তেওঁ নাম লয় প্রফুল্লবালা দেৱী। চৌধুৰীয়ে আহোম ৰাজকুঁৱৰী এগৰাকীক বিয়া কৰোৱা বাবে তেওঁৰ পৰিয়ালৰ কোনো কোনো সদস্যই ভাল পোৱা

নাছিল। সেই বিষয়ে তেওঁ নিজৰ *মোৰ জীৱন-স্মৃতিত* ৰসালভাৱে উল্লেখ কৰিছে— "মোৰ বিয়া হৈ গ'ল গুৱাহটীয়া ছোৱালীৰ লগত— বিশেষকৈ এটি বুনিয়াদী পৰিয়ালৰ জীয়ৰীৰ সৈতে (ভূতপূর্ব আহোম ৰজাসকলৰ এক বংশধাৰিণীৰ লগত) এতেকে মোক অসমীয়া ভাষা চর্চা কৰা দেখি মোৰ কোনো কোনো ওচৰ সম্বন্ধীয় আত্মীয়ই ক'বলৈ ইতস্ততঃ নকৰিলে যে মই মাতৃভাষা এৰি স্ত্রীভাষাৰ চর্চা আৰম্ভ কৰি দিছোঁ। কথাষাৰ যে শ্লেষ আৰু বিদ্রূপপূর্ণ তাক বহলাই ক'বৰ দৰকাৰ নকৰে। ...বঙলা ভাষা শিকিলেও আৰু তেতিয়া গোৱালপা�ৰাৰ কোর্টৰ ভাষা বঙলা থাকিলেও আমি মনে-প্রাণে পুৰা দস্তুৰ 'আসামী' অর্থাৎ অসমীয়া আছিলোঁ।"

1926 চনত হোৱা 'অসম সাহিত্য সভা'ৰ ধুবুৰী সন্মিলনৰ সভাপতি বেণুধৰ ৰাজখোৱাৰ অভিভাষণৰ এটা উক্তিৰ প্রতি উপস্থিত থকা বাংলা ভাষী লোকসকলে মনত বেজাৰ পোৱাত অপ্রীতিকৰ পৰিস্থিতি এটাৰ উক্‌মুকনি ঘটিছিল। তেতিয়া গোৱালপৰীয়া ৰাইজে সমাজত শান্তি-সম্প্রীতিৰ ভাবনো কেনেকৈ বর্তাব পাৰি তাৰে উপায় কৰিবলৈ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ কায চাপিছিল। চৌধুৰীয়ে তেওঁলোকৰ কথা মন দি শুনিছিল আৰু এটা অভূতপূর্ব উপায় উদ্ভাৱন কৰিছিল। সেয়া আছিল এখন আলোচনীৰ সৃষ্টি— 1929 চনত (1851 শক, কাতি)ত নগেন্দ্র নাৰায়ণ চৌধুৰীৰ বদান্যতাৰ গুণত জন্ম লাভ কৰে *আৰাহন*।

তেওঁ 'অসম সাহিত্য সভা'ৰ আজীৱন হিতৈষী আছিল। তেওঁ 1931 চনৰ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত 'অসম সাহিত্য সভা'ৰ ত্রয়োদশ সন্মিলনত সভাপতিত্ব কৰিছিল। এই সন্মিলনতে 'অসম সাহিত্য সভা'ই লক্ষ্মীনাথ বেজবৰুৱাক সম্বর্ধনা জনাইছিল। সভাপতি চৌধুৰীয়ে বেজবৰুৱাক এই সভাতে 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰিছিল।

নগেন্দ্র নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু ডাঃ দীননাথ শর্মাৰ সম্পাদনাত 1929 চনৰ পৰা *আৰাহনৰ* প্রকাশ আৰম্ভ হয়। চৌধুৰীয়ে ৰচনা কৰা প্রায় ডেৰকুৰি গল্পৰ ভিতৰত 'পোহৰী'য়েই প্রথম আৰু 'বীণাৰ ঝঙ্কাৰ' শেষ গল্প। 'পোহৰী' *আৰাহনৰ* প্রথম সংখ্যাত আৰু 'বীণাৰ ঝঙ্কাৰ' দ্বাদশ বছৰৰ প্রথম সংখ্যাত প্রকাশ পায়। মন কৰিবলগীয়া যে *আৰাহনৰ* প্রথম বছৰতেই চৌধুৰীৰ দুটা দীঘলীয়া ভ্রমণ কাহিনী (সাতোটা সংখ্যাত প্রকাশিত) প্রকাশ পাইছিল।

চৌধুৰীৰ প্রবন্ধসমূহৰ আলোচনাৰ প্রসঙ্গত আলোচক হেমন্ত কুমাৰ শর্মাই কৈ গৈছে যে বর্ণনাৰ সৰলতা তেওঁৰ প্রবন্ধ ৰচনাৰ ঘাই বৈশিষ্ট্য। অৱশ্যে তেওঁৰ কোনো কোনো ৰচনাত উপমা আৰু ব্যঙ্গোক্তিৰ প্রকাশ পৰিস্ফূট হয়। তেওঁৰ উল্লেখযোগ্য প্রবন্ধৰাজিৰ ভিতৰত 'মণিপুৰী পৌৰাণিক নৃত্য', 'প্রাগ্-ঐতিহাসিক যুগৰ চিত্র-শিল্প', 'স্থায়ী ভাব আৰু ৰস', 'বড়ো জাতিৰ কথা', 'আহোম ভাষাৰ পুথি', 'জীৱ-জন্তুৰ ওপৰত মানুহৰ কর্তৃত্ব', 'গুপ্তচৰৰ গুপ্ত কৌশল' আদি প্রধান।

ব্যক্তি হিচাপে নগেন্দ্র নাৰায়ণ চৌধুৰী উদাৰতা আৰু বদান্যতাৰ প্রতিমূর্তি আছিল। অভিজাত বংশৰ অভিমান অলপো নাছিল। তেওঁ এগৰাকী সৰল আৰু সহানুভূতিশীল অন্তৰৰ লোক আছিল। সমাজৰ ডাঙৰ-সৰু সকলোৰে লগত তেওঁ মিলি যাব পাৰিছিল। সেয়েহে তেওঁৰ গল্প সৃষ্টিসমূহত সমাজৰ বিভিন্ন শ্রেণীৰ চিত্র মনোজ্ঞ ৰূপত প্রকাশ পোৱা প্রত্যক্ষ কৰিব পাৰি। তেওঁৰ সুহৃদসকলৰ ভিতৰত অন্যতম আছিল লক্ষ্মীনাথ বেজবৰুৱা, কর্মবীৰ নবীন চন্দ্র বৰদলৈ,

দেশভক্ত তৰুণৰাম ফুকন, লোকপ্রিয় গোপীনাথ বৰদলৈ, জ্ঞানাদাভিৰাম বৰুৱা, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, পদ্মধৰ চলিহা, অতুল চন্দ্র হাজৰিকা আদি।

এটা কর্মবহুল জীৱন পাৰ কৰাৰ পিছত 1947 চনৰ 13 নৱেম্বৰ (1869 শক)ত লক্ষ্মীপুৰত অৱস্থিত নিজ গৃহতে তেওঁৰ পার্থিৱ জীৱনৰ অৱসান ঘটে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ ব্যক্তি হিচাপে নগেন্দ্র নাৰায়ণ চৌধুৰীক মূল্যায়ন কৰক। [250 টা শব্দৰ ভিতৰত)

২ নং প্রশ্ন ঃ নগেন্দ্র নাৰায়ণ চৌধুৰীক অসমীয়া ভাষা-সাহিত্যৰ সেৱাত মনোনিৱেশ কৰিবলৈ কেনে ধৰণৰ পৰিৱেশে অনুপ্রাণিত কৰিছিল? [200 টা শব্দৰ ভিতৰত)

৭.৩.১ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ

প্রত্যেক গৰাকী সৃষ্টিশীল লেখকৰে লিখাৰ একোটা নিজস্ব শৈলী থাকে। তাৰ লগতে থাকে তেওঁৰ ব্যক্তিগত দৃষ্টিভঙ্গী।ব্যক্তি আৰু সমাজৰদায়বদ্ধ সদস্য হিচাপে তেওঁ তেওঁৰ চাৰিওপাশৰ পাৰিপার্শ্বিকতা, ব্যক্তি চৰিত্রসমূহ আৰু ঘটনাৱলীক যি দৰে পর্যবেক্ষণ কৰে— সেইসমূহৰ মূল্যায়ন ভিত্তিত তেওঁ ৰচনা কৰা গল্পকৃতিসমূহৰ বৈশিষ্ট্য নির্ধাৰণ কৰিব পাৰি। গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীও তাৰ ব্যতিক্রম নহয়।

অসমৰ গ্রাম্য জীৱন (বিশেষকৈ পশ্চিম অসম)ৰ চিত্রণ তেওঁৰ সৰহ সংখ্যক গল্পৰে বৈশিষ্ট্য। গ্রাম্য সমাজৰ লোকসকলৰ জীৱন চর্যা, তেওঁলোকৰ আশা-আকাংক্ষা, ক্ষোভ-অভিমান, আবেগ-অনুভূতি আদিৰ সৰস চিত্রণত চৌধুৰীয়ে দক্ষতাৰ পৰিচয় দিছে। জমিদাৰৰ সন্তান হৈয়ো সৰল জীৱন চর্যাত বিশ্বাসী এই গৰাকী গল্পকাৰে চহা জীৱনৰ অন্তঃস্থলত প্রৱেশ কৰাৰ সুযোগ লাভ কৰিছিল। সেইবাবে তেওঁৰ গল্পত চিত্রিত গ্রাম্য জীৱনৰ চৰিত্রসমূহ স্বকীয় সৰলতাৰে জীৱন্ত।

লোক জীৱন প্রবাহক হাড়ে-হিমজুৰে উপলব্ধি কৰা এই গৰাকী গল্প লেখকৰ কাপ নিসৃত ৰচনাত লোকমনৰ বিশ্বাস-অন্ধবিশ্বাস, সংস্কাৰবোধ, দৈনন্দিন জীৱনৰ ৰেহ-ৰূপ সকলো প্রতিভাত হৈছে। 'টুনী', 'ধনভঁৰাল' আদি গল্পত তেনে দিশসমূহ সৰসভাৱে চিত্রিত হৈছে।চৌধুৰীয়ে যিখন সমাজক আধাৰ হিচাপে লৈ গল্প ৰচনা কৰিছে, সেইখন সমাজত বৈজ্ঞানিক ব্যাখ্যা বা বিবেচনাপূর্ণ যুক্তিতকৈ অন্তৰৰ আবেগ-অনুভূতিজনিত ক্রিয়া-প্রতিক্রিয়া আৰু পৰম্পৰাগত বিশ্বাস-কুসংস্কাৰ আদি অধিক প্রভাৱশীল। ফলত বহুত চৰিত্রই পৰিস্থিতিৰ চাকনৈয়াত পৰি অকাৰণতে অশেষ দুখ, লাঞ্ছনা ভোগ কৰিবলগীয়া হয়। 'পোহৰী' তেওঁৰ তেনে এটা মর্মস্পর্শী আবেদনক্ষম গল্প।

প্রেম তেওঁৰ গল্পৰ এটা অন্যতম বৈশিষ্ট্য যদিও তেওঁ সততে আদর্শ প্রেমৰ

সৰল দৃষ্টান্ত উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা নাই। তাৰ পৰিৱৰ্তে পশ্চিমীয়া আদৰ্শ আৰু দৰ্শনৰ আওপকীয়া প্ৰভাৱৰ ফলতেই হওক অথবা অন্য কাৰণতেই হওক, তেওঁৰ প্ৰেমৰ গল্পসমূহত নৰ-নাৰীৰ মনৰ গোপন কামনা-বাসনাবোৰে ছাঁ-পোহৰৰ মাজত থাকি ব্যক্তি জীৱনৰ চিন্তা বা চৰিত্ৰই গ্ৰহণ কৰা পদক্ষেপক প্ৰভাৱিত কৰে। পাশ্চাত্যৰ কথা-সাহিত্যত মুকলিমূৰীয়াকৈ আলোচিত হোৱা নৰ-নাৰীৰ যৌন জীৱনৰ প্ৰসঙ্গ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পতো আহি খোপনি পুতিছেহি। 'উছৰ্গা' গল্পটোত আমি তেনে কিছুমান দুখৰীয়া চিত্ৰ প্ৰত্যক্ষ কৰিব পাৰোঁ।

এই গৰাকী সংবেদনশীল মনৰ লেখকৰ কাপৰ পৰা নিগৰি অহা শব্দই নাৰী জীৱনৰ বহুতো ব্যক্ত-অব্যক্ত, কথিত-অকথিত, দুখ-বেদনা, কষ্ট-লাঞ্ছনা-অপমানৰ কাহিনী লিপিবদ্ধ ৰূপ প্ৰদান কৰিছে। ঘাইকৈ গ্ৰাম্যকেন্দ্ৰিক জীৱন চৰ্যাত লগ পোৱা নাৰীসকলৰ জীৱনৰ অকথিত কাহিনী কিছুমানক তেওঁৰ পৈণত কাপৰ স্পৰ্শই জীৱন্ত কৰি তুলিছে। 'বিজয়া', 'পোহৰী', 'লাভ', 'উছৰ্গা', 'মধু-মালতী', 'তামৰ তাবিজ' আদি তেনে ভাব প্ৰকাশক গল্প।

'অসম্পূৰ্ণ-আইন', 'প্ৰতিশোধ নে প্ৰতিদান' আদি সামাজিক কুপ্ৰথা আৰু অন্ধবিশ্বাস তথা ভণ্ডামিৰ বিৰুদ্ধে বিদ্ৰোহ প্ৰদৰ্শন কৰা দুটিমান অতিশয় মনোগ্ৰাহী গল্প। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ সমালোচনাৰ প্ৰসঙ্গত আলোচক হেমন্ত কুমাৰ শৰ্মাই 'অসম্পূৰ্ণ-আইন' গল্পটো আলোচনা কৰোঁতে উল্লেখ কৰিছে কেনেকৈ এই গল্পটোত বৃদ্ধ আদ্যনাথে ছোৱালীৰ বাপেকক 'গা-ধন' ৰূপে আঠশ টকা আৰু মোমায়েকক ভেটি স্বৰূপে চাৰিশ টকা দি নাতিনী-যুৱীয়া ছোৱালী বিয়া কৰাবলৈ ঠিক কৰে। কিন্তু আদ্যনাথৰ শিক্ষিত পুত্ৰ ৰাধানাথে সেই বিবাহৰ বিৰোধিতা কৰিলত দেউতাক আদ্যনাথে আইনৰ সহায়ত পুতেকক কাৰাগাৰলৈ নিক্ষেপ কৰিবলৈ প্ৰয়াস কৰে। গল্পটিত ব্ৰাহ্মণসকলৰ মাজত সমসাময়িক সমাজত প্ৰচলিত বাল্য-বিবাহ আৰু বিধৱা-বিবাহ সম্পৰ্কীয় সমস্যা, কানি, ভাং, মদ নিবাৰণ, বিদেশী বস্তু বৰ্জনৰ কাৰণে দেশত সময়ে সময়ে চলা পিকেটিং আদিৰ কথা উত্থাপিত হৈছে। গল্পটোৰ ব্যঙ্গৰো চিটিকনি আছে।

এই গল্পটোৰ আলোচনাৰপ্ৰসঙ্গত আমি ইয়াত এটা বিশেষ বৈশিষ্ট্য ফুটি উঠাৰ কথা উল্লেখ কৰিব পাৰোঁ। সেয়া হৈছে ইয়াত ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত জড়িত বিদেশী বস্তু বৰ্জন, স্বদেশীৰ আদৰ, কানি, ভাং আদিৰ বিৰুদ্ধে মাৰ বান্ধি উঠা গঞা সচেতন ৰাইজৰ উৎসাহ-উদ্দীপনা ইত্যাদি। প্ৰাক্-স্বাধীনতা কালৰ বিশিষ্ট লেখক গৰাকীয়ে সাহিত্য চৰ্চাৰ সময়ছোৱাত ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিছিল বাবেই তেওঁৰ গল্পত তেনে ঘটনাৰ প্ৰসঙ্গ উত্থাপিত হোৱাটো স্বাভাৱিক কথা আছিল।

আৱাহন যুগত পাশ্চাত্যৰ বা চাতিৰ লগত প্ৰগতিবাদী চিন্তাৰ ঢল নামি আহিছিল। অসমীয়া গল্পকাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীকো সেই প্ৰগতিবাদী চিন্তাৰ ঢোৱে স্পৰ্শ কৰিছিল। 'প্ৰতিশোধ নে প্ৰতিদান' গল্পটোত ৰক্ষণশীল সমাজৰ ৰৰমূৰীয়াসকলৰ

বাবে নাৰীৰ স্বাধীনচিতীয়া চিন্তা অসহ্যকৰ ৰূপে বিবেচিত হৈছিল। অহৰহ নিজৰ স্বার্থসিদ্ধিৰ চিন্তাত মগ্ন এই শ্রেণীৰ মেলুৰৈয়ে নাৰীয়ে স্বাধীনভাৱে স্বাৱলম্বী হ'ব খুজিলেও তেওঁলোকৰ দৃষ্টিত সেয়া 'অপৰাধ' ৰূপে গণ্য কৰা হৈছিল। গঞাৰ বাধা-নিষেধৰ প্রতি ভ্রূক্ষেপ নকৰি পেটৰ দায়ত হাটত শাক-পাচলি, এৰী-কাপোৰ আৰু অন্যান্য বস্তু কিনা-বেচাৰ অপৰাধত আশ্রয়হীনা বিধৱা চম্পা আৰু তেওঁৰ লগত দুগৰাকী নাৰীয়ে গাঁৱৰ মানহানি কৰা বুলি গাঁৱৰ বৰমূৰীয়াসকলে অমানুষিক শাস্তি প্রদান কৰে। ইয়াৰ মাজেদি গাঁওবাসীৰ ৰক্ষণশীলতা আৰু কুসংস্কাৰ ফুটি উঠে।

চৌধুৰীয়ে নগৰীয়া জীৱনৰ পটভূমিত যি কেইটা গল্প ৰচনা কৰিছে তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— 'ওস্তাদজী', 'লাহৰী', 'বিজয়া', 'দুর্দৈৱ', 'বীণাৰ ঝঙ্কাৰ', 'প্রতিজ্ঞা', 'পৰিৱর্তন', 'অধিকাৰৰ দাবী' আদি। গ্রাম্য জীৱনৰ সৰলতাৰ তুলনাত নগৰীয়া জীৱন যথেষ্ট জটিল আৰু কুটিল। সমাজত বসবাস কৰা প্রতি গৰাকী ব্যক্তিয়ে বিচৰণ কৰা মানসিক জগত ভেদে চিন্তাধাৰা জটিলৰ পৰা জটিলতালৈ গতি কৰিব পাৰে। নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পত নগৰীয়া চৰিত্রৰ চিত্রণত তেনে প্রয়াস প্রত্যক্ষ কৰিব পাৰি। অৱশ্যে শিল্পসুলভ ত্রুটি-বিচ্যুতিৰ বাবেই হওক অথবা লেখকৰ চিন্তাৰ সীমাবদ্ধতাৰ বাবেই হওক তেনে বহুত চৰিত্র সম্ভাৱনীয়তা থকা সত্ত্বেও পূর্ণস্ফূৰণ নঘটিল।

অৱশ্যে নাৰীৰ মানসিক জগতখনত তোলপাৰ লগোৱা বিবিধ ক্রিয়া-প্রতিক্রিয়াৰ আনুভূতিক চিত্রণত তেওঁৰ সেই নগৰকেন্দ্রিক গল্পসমূহে বিশেষ ভূমিকা গ্রহণ কৰিছে। এই প্রসঙ্গত তেওঁৰ 'বীণাৰ ঝঙ্কাৰ' নামৰ গল্পটোৰ কথা উল্লেখ কৰিব পাৰি। ইয়াত নাৰী মনস্তত্ত্বৰ কথা বিশেষকৈ নাৰীৰ সহজাত ঈর্ষাৰ কথা লিপিত খাই আছে। ইয়াত নাৰীৰ প্রতি নাৰীৰ ঈর্ষা আৰু মানসিক অন্তর্দ্বন্দ্বৰ চিত্র ফুটি উঠিছে। আনহাতে, তেওঁৰ গল্প 'অধিকাৰৰ দাবী'ত নায়ক চৰিত্র বিশ্বনাথে প্রেমজনিত সন্দেহ আৰু অন্তর্দ্বন্দ্বত ভুগিছে। বিশ্বনাথৰ বিপৰীতে তেওঁৰ প্রেমিকা ভুৱনেশ্বৰী নাৰীসুলভ কর্মত সকলোতে আগৰণুৱা আৰু ব্যক্তিত্বসম্পন্ন নাৰী।

বিষয়বস্তুৰ বহুমুখিতা চৌধুৰীৰ গল্পৰ অন্য এটা বৈশিষ্ট্য। গ্রাম্য-নগৰ সকলো স্তৰৰ লোক,জনজাতীয়-অজনজাতীয়, শিক্ষিত-হোজা,সাধু-দুষ্ট, বৃত্তিজীৱী-স্বনিয়োজিত ব্যক্তি, সঙ্গীতজ্ঞ-চিপাহী, শোষিত-শোষণকাৰী আদি সকলো শ্রেণীৰ চৰিত্রই তেওঁৰ গল্প ৰচনাত স্থান পাইছে।

আলোচক হেমন্ত কুমাৰ শর্মাৰ কথাতে সুৰ মিলাই ক'বলৈ গ'লে অসমীয়া সাহিত্যত নগেন্দ্র নাৰায়ণ চৌধুৰীয়েই প্রথম বিজ্ঞান-ভিত্তিক গল্পৰ (Science Fiction) লেখক। তেওঁৰ 'ৰসায়ন' গল্পটো ইয়াত উৎকৃষ্ট নিদর্শন। গল্পটোৰ কাহিনী মতে এজন বৃদ্ধ ব্যক্তিয়ে যুৱক হোৱাৰ মানসেৰে 'কায়কল্প' চিকিৎসাৰ আশ্রয় লয়। কিন্তু চিকিৎসা বিভ্রাট হোৱাত সেই বৃদ্ধজন এটা হনু বান্দৰলৈ ৰূপান্তৰিত হয়।

চৌধুৰীৰ গল্পৰ এটা লেখৰ বৈশিষ্ট্য হৈছে জনজাতীয় সমাজৰ চিত্রণ। তেওঁৰ

ৰচনাত তেওঁৰ চিনাকি সমাজখনত অৱস্থান কৰা জনজাতীয়সকলৰ জীৱন চিন্তা আৰু ৰেহ-ৰূপ ভাস্বৰ হৈছে। তেওঁ নিজেও ৰাভা জনগোষ্ঠীৰ অন্তর্ভুক্ত বাবে ৰাভা জীৱন চর্যাৰ প্রতি তেওঁৰ চেতনা জগতত এক গভীৰ মমত্ববোধ আছিল। বর্ণাঢ্য জনজাতীয় জীৱনৰ ৰং তেওঁৰ কেইটামান লেখৰ গল্প, যেনে— 'পোহৰী', 'টুনী', 'লাভ', 'ধনভঁৰাল' আদিত ***খুন্দ খাই*** আছে।



খুন্দ খাই *ঃঠাহ খাই থকা।*



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পৰ বৈশিষ্ট্য কেইটামান উল্লেখ কৰক। [300 টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

- নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্পৰ বিষয়ে বহল আলোচনা কৰিবলৈ হ'লে ইচ্ছুক শিক্ষার্থীয়ে হেমন্ত কুমাৰ শর্মাই সম্পাদনা কৰা *নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্প*ৰ 'পাতনি' ভাগ পঢ়িলেই যথেষ্ট উপকৃত হ'ব।
- নগেন্দ্র নাৰায়ণ চৌধুৰীৰ বংশলতা—

থানা ৰাভা
↓
মেঘৰাম
↓
গোবিন্দৰাম
↓
মুকুণ্ডৰাম
↓
শোভাৰাম
↓
ৰণাৰাম
↓
মহিৰাম
↓
পৃথ্বীৰাম ওৰফে লক্ষ্মীনাৰায়ণ
↓
প্রথমা পত্নী | দ্বিতীয় পত্নী | তৃতীয়া পত্নী

↓	↓	↓
নগেন্দ্র নাৰায়ণ চৌধুৰী	তিলক নাথ চৌধুৰী	কমলাকান্ত বা কমলা চৌধুৰী
	↓	↓
	ভোলানাথ চৌধুৰী	ভবেন্দ্র নাৰায়ণ চৌধুৰী
	↓	
	লোকনাথ চৌধুৰী	
	↓	
	উদ্ধৱ চৌধুৰী	

৭.৪ 'টুনী'

৭.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

সৃষ্টিৰ আকাংক্ষাৰ লগতে সামাজিক দায়বদ্ধতাৰ ভাব সম্পৃক্ত হৈ থাকিলে কেতিয়াবা লেখকৰ মৌলিক সৃষ্টিয়ে উৎকৃষ্ট শিল্প ৰূপ লাভ কৰিব নোৱাৰে। তেতিয়া সৃষ্টিৰ আঁৰত নিহিত সামাজিক দায়বদ্ধতাৰ ভাব অধিক সবল হয়। সেই কথা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সৃষ্টিৰাজিৰ একাংশই হওক বা আলোচ্য গল্পকাৰ নগেন্দ্র নাৰায়ণ চৌধুৰীয়েই হওক— প্রত্যেক গৰাকীৰ ক্ষেত্রত একেযাৰ কথা প্রযোজ্য হয়। বিশেষকৈ অঞ্চল বিশেষত ভাষা-সাহিত্য-সংস্কৃতিক লৈ সৃষ্টি হোৱা উদাসীনতাই হওক বা তেনেঅঞ্চলত জাতীয় ভাষা-সংস্কৃতিৰ প্রচলন আৰু প্রসাৰত কিবা বাধা উদ্ভৱ হ'লে দূৰদর্শী উদাৰনৈতিক চিন্তাৰ শিল্পী-সাহিত্যিকসকলে মাৰ বান্ধি উঠি আহিবলগীয়া হয়, নতুবা কোনো একক কণ্ঠই তেনে অসঙ্গতিৰ বিৰুদ্ধে থিয় হৈ অহোপুৰুষার্থ কৰে। এই আলোচনাৰ আৰম্ভণিতে আমি নগেন্দ্র নাৰায়ণ চৌধুৰীৰ জীৱন কথা ভাগত যি পঢ়িলোঁ তাৰ আঁত ধৰিয়েই এই উপশাখাটোত এই চমু আলোচনাটি সন্নিৰিষ্ট কৰা হৈছে।

অসমীয়া সাহিত্যত জনজাতীয় সমাজৰ পটভূমিত ৰচিত হোৱা গল্পসমূহৰ ভিতৰত নগেন্দ্র নাৰায়ণ চৌধুৰীৰ 'টুনী' এটা উল্লেখযোগ্য গল্প। গল্পটোৰ বিষয়বস্তু প্রেম। সেই প্রেম ত্রিভূজীয়, য'ত দুজন ডেকা থাংৰিং আৰু বাংখঙে টুনী নামৰ এজনী সৰল অথচ চঞ্চলা গাভৰুৰ প্রেমৰ বাবে উদ্ভৱ হোৱা পৰিস্থিতিৰ চিত্র অঙ্কিত হৈছে। টুনীয়ে দুয়োজন ডেকাকে নিজৰ সুহৃদ গণ্য কৰে যদিও নিজৰ হিয়াৰ বতৰা কাকো নিদিয়ে। ৰাভা সমাজৰ পৰম্পৰাগত বিশ্বাসৰ বশৱর্তী হৈ থাংৰিঙৰ পৰিয়ালে টুনীক জোৰকৈ তেওঁলোকৰ ঘৰৰ বোৱাৰী কৰিবলৈ চেষ্টা কৰিলে। টুনী বা টুনীৰ পিতৃ-মাতৃ কোনো সেই কথাত একমত নহ'ল। তেনেতে ভন্দৰা চিপাহীয়ে দুয়োটা দলৰ মাজত উপস্থিত হৈ ক'লে যে তেনেকৈ জোৰকৈ কোনোবা গাভৰুৰ মূৰত 'তেল-পানী দি' বোৱাৰী কৰা প্রথা যুক্তিগত কাৰণত নিন্দনীয় আৰু তেনে প্রথা অন্ধ-সংস্কাৰৰ নামান্তৰ।

তেনে অন্যায় কৰা অনুচিত। সেই সময়ছোৱাত ৰাভা লোক সমাজত চিপাহী হোৱা ৰাভা ডেকা আদৰ আৰু সন্মানৰ পাত্ৰ আছিল। গতিকে ভন্দৰা চিপাহীয়ে সেই গাঁওখনত যথেষ্ট প্ৰতিপত্তি লাভ কৰিছিল। তাৰ কথা অমান্য কৰা কাৰো সাহস নাছিল।

বাংখং আৰু থাংৰিঙে ভন্দৰাৰ সেই প্ৰভাৱ আৰু সন্মান দেখি নিজেও টুনীক লাভ কৰা আশা বুকুত বান্ধি চিপাহী হ'বলৈ নগৰলৈ ঢাপলি মেলিছিল। তেনেতে এজনো প্ৰতিদ্বন্দ্বী নথকাৰ সুযোগ লৈ ভন্দৰাই টুনীৰ মন পাবলৈ ব্যাকুল হৈ উঠিল। টুনীক বিয়া কৰোৱাৰ প্ৰস্তাৱ তাইৰ মাক-দেউতাকক দিয়াত তেওঁলোক দুয়োয়ে চিপাহী জোঁৱাই পোৱাৰ আনন্দত সন্মতি দিলে। টুনীয়ে তাইৰ দুয়োজন বন্ধু থাংৰিং আৰু বাংখঙক দিয়া প্ৰতিশ্ৰুতিৰ কথা মনত পেলাই দুখ কৰিলে। বিয়াৰ নিশা তাই পলাই যাব খুজিও অসফল হ'ল।

গল্পটোৰ বিষয়বস্তু এটা প্ৰেম কাহিনী যদিও লেখকে চৰিত্ৰসমূহৰ ক্ৰিয়াকলাপৰ বিৱৰণৰ মাজে মাজে পৰিৱেশজনিত একোখন গ্ৰাম্য জীৱনৰ চিত্ৰপট অঙ্কন কৰিছে। সেই চিত্ৰপটত গ্ৰাম্য জীৱনৰ টুকুৰা ছবি কিছুমান দৃষ্টিগোচৰ হৈছে। গল্পটোৰ চৰিত্ৰ কেইটাই বিচৰণ কৰা সমাজখন,তাৰ আস্থা,নিষ্ঠা, পৰম্পৰা, বিশ্বাস সকলো সেই চিত্ৰৰ মাজেদি প্ৰতিভাত হৈছে। সেই চিত্ৰসমূহৰ দৰ্শনে আমাক যেন এখন তেনেই পৰিচিত জনজাতীয় গাঁও আৰু কিছুমান চিনাকি চৰিত্ৰৰ কাষ চপাই নিয়ে।

এইটো ঠিক যে 'টুনী' গল্পত এটা মনোৰম কাহিনী আছে। পিছে গল্পকাৰে চৰিত্ৰ নিৰ্মাণত আৰু অলপ মনোযোগী হোৱাহেঁতেন চৰিত্ৰ কেইটাৰ মানসিক জগতৰ বতৰা লাভত আমাৰ অধিক সহায়ক হ'লহেঁতেন। বিশেষকৈ টুনী চৰিত্ৰটোৰ বাহ্যিক সহজ-সৰল অথচ চঞ্চলা স্বভাৱৰ লগতে তেওঁৰ মানসিক জগতখনৰ বতৰা দিয়াহেঁতেন চৰিত্ৰটো অধিক সজীৱ আৰু গতিশীল হ'লহেঁতেন।



জানি থোৱা ভাল

উল্লেখযোগ্য যে ৰাভা সমাজত কেইবা প্ৰকাৰৰো বিবাহৰ প্ৰচলন আছে। তাৰ ভিতৰত ৰিছেকায়, ৰিৰিকায়, নকৃধাঙ্কায় আৰু ক্ৰাংছিৰি। ৰিছেকায়ত দৰাৰ অভিভাৱকে ছোৱালীৰ মতামত অনুসাৰে প্ৰচলিত ৰীতি অনুসাৰে বিয়া পাতে। ল'ৰা-ছোৱালীৰ সন্মতি অবিহনে বলপূৰ্বক ধৰি-বান্ধি পতা বিয়াক ৰিৰিকায় বিবাহ বোলে। ল'ৰা-ছোৱালীয়ে ইচ্ছা অনুসৰি ঘৰ সোমোৱা বিবাহক নকৃধাঙ্কায় আৰু কইনাৰ অজ্ঞাতে ছোৱালীৰ মূৰত বলপূৰ্বকভাৱে তেল-সেন্দূৰ দিয়া পদ্ধতিক ক্ৰাংছিৰি বিবাহ বোলা হয়।

৭.৪.২ গল্পটোৰ কাহিনীভাগ

থাংৰিং আৰু বাংখং দুয়ো ৰাভা যুৱক। দুয়োৱে টুনীৰ মৰম পাবলৈ ব্যাকুল।

ভৈয়ামত গৰু মেলি দি নিজৰাৰ পাৰত বহি বৈ যোৱা পানীৰ কুলু কুলু ধ্বনি শুনি আহ্লাদিত হৈ টুনীয়ে গীত জুৰিছিল। তেনেতে তাইৰ চকুযোৰ পিছফালৰ পৰা কোনোবাই হাতেৰে ঢাকি ধৰিলে। তাই সেয়া থাংৰিং বুলি ভাবি মাত লগালে। পিছে চকুযোৰৰ পৰা আগন্তুকৰ হাত দুখন আঁতৰোৱাৰ পিছত গম পালে যে সেয়া বাংখঙহে। বাংখঙৰ মন ইতিমধ্যে সেমেকি আহিছিল। সি তাইক তাৰ মনৰ কথা ক'ব বুলি ভাবিও ক'ব নোৱাৰিলে। তাৰ সেই কথা শুনাৰ প্ৰতি যেন টুনীৰ কোনো আগ্ৰহ নাই। তাতে থাংৰিঙে টুনীৰ বাবে এথোপা ফুল অনা দেখি তাৰ অন্তৰত পোৰণি আৰম্ভ হ'ল। সিও তাইৰ বাবে ফুল আনিবলৈ আগবাঢ়িল। বাংখং ফুল আনিবলৈ গৈ আঘাতপ্ৰাপ্ত হোৱাত সৰলমনা টুনী উদ্‌বাউল হৈ তাক সুস্থ কৰি তুলিবলৈ তৎপৰ হ'ল।

ইফালে তাইৰ গৰু কেইটাই জাকটোৰ পৰা আঁতৰি হাবিৰ ফালে গতি কৰিছিল। থাংৰিঙে তাইক কথাষাৰ জনোৱাত তাই তাকে গৰু কেইটা চপাই আনিবলৈ পাচিলে। তাৰ গৰু বিচাৰিবলৈ যাবলৈ মন নাছিল। বিশেষকৈ যি স্থলত তাৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বীৰ লগত টুনী একেলগে বহি আছিল। কিন্তু টুনীৰ কথা শুনিবলৈ সি বাধ্য হ'ল। পিছত সি টুনীৰ আগত তাৰ মনৰ ভাব প্ৰকাশ কৰাত টুনীয়ে তাৰ কথাৰ পোনপটীয়া উত্তৰ নিদি তাইৰ মন ভাল লগাবলৈ তাক বাঁহী বজাবলৈ অনুৰোধ কৰিলে। সেইদৰে সি বাঁহী বজাই থাকোঁতে গৰুৰ জাকটোৰ পৰা নাহৰফুটুকী বাঘ এটাই দামুৰি এটা টানি লৈ গ'ল। সিহঁতে গঞা ৰাইজক খবৰ দিয়াত গঞা ৰাইজে মিলি বাঘটো মাৰিলে। হাবিৰ পৰা ওলাই আহোঁতে পুনৰ টুনী বাংখঙৰ লগ লোৱাত থাংৰিঙে বেয়া পালে। ঈৰ্ষাকাতৰ থাংৰিঙে বাংখঙক সুযোগ বুজি মাৰিৰে কোবাবলৈ চেষ্টা কৰিলে। বাংখঙে আত্মৰক্ষা কৰি কোব খোৱাৰ পৰা নিজকে ৰক্ষা কৰিলে। থাংৰিঙৰ তেনে আচৰণে টুনীক ক্ষুব্ধ কৰিছিল।

বাংখঙে টুনীৰ মন যোগাবলৈ তাইক এটা টুনী চৰাই উপহাৰ দিছিল। তাই চৰাইটোৰ যত্ন লৈছিল। চৰাইটোৰেও টুনীৰ লগ লৈছিল। চৰাইটোৰ অকাল মৃত্যুৰে টুনীৰ মন বিষাদময় কৰি তুলিছিল। তেনেতে থাংৰিঙৰ হাতত ভাটৌ এটা দেখি তাই সেইটো তাক বিচাৰিলে। সি তাইৰ কথাত গুৰুত্ব নিদি অভিমান কৰি সেই ঠাই ত্যাগ কৰাত তায়ো নীৰৰে ঘৰলৈ বুলি খোজ দিলে। তেতিয়া থাংৰিঙৰ বোধ জন্মিলে যে সি তাইৰ প্ৰতি তেনে ৰুক্ষ ব্যৱহাৰ কৰিব নালাগিছিল। সি উভতি গৈ তাইৰ হাত এখনত ধৰিলে। সিফালে বাংখঙেও টুনীৰ সিখন হাতত আহি ধৰিলে। তেনেতে ভন্দৰা নামৰ চিপাহী তাত উপস্থিত হ'ল। সি সিহঁত হালক টুনীৰ হাত দুখনত ধৰি টনা-আঁজোৰা কৰা দেখি সিহঁতক ধমক দিলে। বাধ্য হৈ দুয়োৰে টুনীৰ হাত এৰি দিলে। গাঁৱৰ ডেকা ভন্দৰা চিপাহী হোৱাত গাঁৱত তাৰ নাম-যশ বিয়পি গৈছিল। গাঁৱৰ সকলো তাক লৈ গৌৰৱান্বিত। আন সকলো লোকৰ দৰে টুনীয়েও তাৰ সান্নিধ্য লাভৰ প্ৰতি আগ্ৰহী হ'ল।

তেনে সময়তে থাংৰিঙৰ দেউতাকে পুতেকৰ মলিন ৰূপ দেখি চিন্তা কৰি দেখিলে যে টুনীক পুতেকলৈ আনিলে পুতেক সুস্থিৰ হৈ পৰিব। ৰাভা সমাজৰ

পৰম্পৰাগত বিশ্বাস এটা আছে য'ত ঈস্পিত কন্যা এগৰাকীক জ্ঞাতি-কুটুম্ব সহিতে গৈ জোৰকৈ আগচি ধৰি তাইৰ পা-পৰিয়ালক নোসোধাকৈয়েই তাইৰ মূৰত 'তেল-পানী' দি কইনা কৰিব পাৰি। তেনে বিধি-ব্যৱস্থাত আক্রান্ত কন্যাগৰাকীৰ পৰিয়ালৰ মানুহে বিধি-পথালি দিব নোৱাৰে। টুনীৰ ক্ষেত্রতো তেনে হোৱাৰ উপক্রম হৈছিল। থাংৰিঙহঁতৰ জ্ঞাতি-কুটুম্বৰ আৰু টুনীৰ জ্ঞাতি-কুটুম্বৰ মাজত প্রায় যুদ্ধ এখন আৰম্ভ হৈছিল। তাতো ভন্দৰাই হস্তক্ষেপ কৰি টুনীক সকাহ দিছিল।

তাকে দেখি টুনীৰ দুই পাণিপ্রার্থীয়ে সিদ্ধান্ত ল'লে যে সিহঁতেও ভন্দৰাৰ দৰে চিপাহী হ'ব। চিপাহীৰ চাকৰি বিচাৰি দুয়ো গাঁৱৰ পৰা বাজ হ'ল। যোৱাৰ আগতে টুনীৰ পৰা এই প্রতিশ্রুতি ল'লে যে সিহঁত নহালৈকে যেন তাই কাৰো লগত বিয়াত নবহে। ক্রমশঃ ভন্দৰা টুনীৰ প্রতি আকৃষ্ট হ'বলৈ ধৰাত সি তাইৰ ঘৰলৈ গৈ তাইক বিয়া কৰোৱাৰ প্রস্তাৱ দিলে। তাইৰ অভিভাৱকদ্বয়ে সানন্দে সেই প্রস্তাৱ স্বীকাৰ কৰি বিয়াৰ আয়োজন আৰম্ভ কৰিলে। টুনীয়ে তাইৰ প্রতিশ্রুতিৰ কথা স্মৰণ কৰি দুখ কৰিব ধৰিলে। তেনেতে বাংখঙৰ পৰা তাইলৈ অহা উপহাৰৰ টোপোলাই তাইক অধিক উৎকণ্ঠিত কৰিলে। তাই সিদ্ধান্ত ল'লে যে বিয়াৰ নিশাই তাই ঘৰৰ পৰা পলাই যাব। তাইৰ লগত গাঁৱৰে অন্য কেইগৰাকীমান যুৱতীও চিপাহী জীৱন সঙ্গীৰ সন্ধানত জিলালৈ পলাই যোৱাৰ কথা। কিন্তু নিশা তাই ঘৰৰ পৰা ওলোৱাত কিছু পলম হোৱাত তাই ভন্দৰাৰ হাতত ধৰা পৰিল। ইফালে বিয়াৰ আগতে তাইক গোপনে দেখা কৰিবলৈ অহা থাংৰিঙো আহি তাত উপস্থিত হোৱাত তাই থাংৰিঙক সাৱতি ধৰি চিঞৰ এটা মাৰি তাতেই অচেতন হৈ পৰিল। তাতে কাহিনীটো শেষ হৈছে।

৭.৪.৩ গল্পটোৰ চৰিত্রসমূহ

- **টুনী ঃ** টুনী এই বিশেষ গল্পটোৰ কেন্দ্রীয় চৰিত্র। সৰলমনা ৰাভা যুৱতী টুনীৰ বাবে পৃথিৱীখন বৰ ধুনীয়া। তাই প্রকৃতিৰ ৰূপ-ৰসক আকণ্ঠ ভৰি পান কৰিবলৈ ইচ্ছা কৰে। সেইবাবে হয়তো গৰু চৰাবলৈ যাওঁতে পাহাৰী জুৰিটিৰ কুলু কুলু ধ্বনিয়ে তাইৰ হৃদয়ৰ গোপন কক্ষৰ দুৱাৰ মুকলি কৰি দিয়ে, লগতে মুকলি কৰি দিয়ে সুৰৰ পাপৰিবোৰ যিবোৰ তাইৰওঁঠত গীত ৰূপে স্থিতি লভে। প্রকৃতি কন্যা স্বৰূপ টুনীৰ সেই মোহনীয় ৰূপে তাইৰ দুই প্রতিদ্বন্দ্বী প্রেমিক বাংখং আৰু থাংৰিঙক তাইৰ ফালে আকর্ষণ কৰে। দুয়োজনে তাইৰ আগত নিজৰ মনৰ ভাব পৃথকে পৃথকে প্রকাশ কৰিছে। অথচ তাই কাৰো কথা শুনি সেই কথাৰ গুৰুত্ব উপলব্ধি কৰিবলৈ প্রয়াস কৰা নাই। গতিকে তাইৰ প্রেমাকাংক্ষী দুজনে তাইৰ মনোভাব কি তাক জানিবলৈ অসমর্থ।

  তাইৰ সেই ৰহস্যময় নীৰৱতাৰ ব্যাখ্যা গল্পকাৰে কৰা নাই। পিছে তাইৰ চৰিত্রক মানৱীয় গুণেৰে গুণান্বিত কৰিবলৈ গল্পকাৰে চেষ্টাৰ ত্রুটি কৰা নাই। সেইবাবে বাংখঙে তাইৰ বাবে ফুল ছিঙিবলৈ গৈ দুর্ঘটনাবশতঃ পৰি আঘাতপ্রাপ্ত হোৱাত

তাই উদগ্রীৱ হৈ তাৰ শুশ্রূষাত নিয়োজিত হৈছিল।

আন্তৰিতাৰে পুৰুষ এজনৰ লগত কথা-বতৰা পাতিলেই যে এগৰাকী যুৱতী নাৰীয়ে তেওঁক তেওঁৰ জীৱনসঙ্গী ৰূপে নিৰ্বাচন কৰিব লাগিব তেনে ভাবনা টুনীৰ মনত খেলোৱা নাছিল। সেইবাবে তাই থাংৰিং আৰু বাংখং উভয়ৰে লগত সমানে মিলা-মিচা কৰিছিল। পিছে সিহঁত দুটাই দ্বন্দ্বাত্মক স্থিতি গ্রহণ কৰি পৰিস্থিতি তিক্ত কৰি তোলাৰ বাবে মাজে সময়ে দুয়ো টুনীৰ তিৰস্কাৰৰ পাত্র হৈছিল।

নাৰী মনৰ এটা গোপন অভিলাষ হৈছে তেওঁৰ মনৰ পুৰুষজন সকলো পিনৰ পৰা কৰ্মঠ আৰু যোগ্য-দক্ষ হওক। টুনীৰ মনতো যে তেনেকুৱা এটা ভাবনাই ক্রিয়া কৰা নাছিল সেই কথা ন দি ক'ব নোৱাৰি। গাঁৱলৈ ভন্দৰা চিপাহীৰ আগমনে গাঁৱৰ সকলোৰে মন উৰুলীকৃত কৰি তুলিছিল। টুনীও তাৰ ব্যতিক্রম নাছিল। তাই ভন্দৰা চিপাহীৰ কথা শুনি,চিপাহীয়ে যুদ্ধক্ষেত্রত লাভ কৰা অভিজ্ঞতাৰ বর্ণনা শুনি আশ্চর্যান্বিত আৰু আহ্লাদিত হৈছিল। ভন্দৰা চিপাহীৰ পুৰুষত্বই নৰ-নাৰী সকলোকে যেন মোহিত কৰিছিল। চিপাহীয়ে টুনীৰ প্রতি আকৃষ্ট হোৱাত তাইক নিজৰ কৰি ল'বলৈ সামাজিক শিষ্টাচাৰ অনুসৰি তাইৰ পিতৃ-মাতৃৰ কায চাপিছিল। ভন্দৰাৰ নিচিনা জোঁৱাই পোৱাৰ আশাত তাইৰ মাক-বাপেক উৰুলীকৃত হৈছিল। তেনে এক যোগ্য পাণিপ্রার্থীক নাকচ কৰাতো মূঢ়তাৰ বাহিৰে আন একো নহয়। কিন্তু জিলাৰ পৰা তাইলৈ বাংখঙে পঠিওৱা পার্চেলটো পোৱাৰ পিছৰ পৰা তাইৰ বিবেক-দংশন আৰম্ভ হ'ল। তাই যে বাংখঙহঁত নহালৈকে কাকো কথা নিদিবলৈ, কাৰো লগত বিয়াত নবহিবলৈ প্রতিশ্রুতি দি থৈছে! তাইৰ সেই প্রতিশ্রুতিৰ কি হ'ব? পিছে পৰিস্থিতি তাইৰ অনুকূল নাছিল। বিয়াৰ নিশা তাইক শেষ বাৰলৈ দেখা কৰিবলৈ অহা থাংৰিঙক সাৱতি ধৰি তাই মূর্চ্ছা গ'ল। টুনীয়ে জীৱনৰ এটা জটিল প্রশ্নৰ পৰা অহৰহ পলাই ফুৰিছিল। সেই বিশেষ নিশাটো আছিল চূড়ান্ত সিদ্ধান্ত লোৱাৰ নিশা। টুনীয়ে সেই সিদ্ধান্ত লোৱাৰ পথত অগ্রসৰ হৈছিল যদিও আকস্মিকভাৱে হোৱা থাংৰিঙৰ লগত যোগাযোগ আৰু অতি দুর্ভাগ্যজনকভাৱে ভন্দৰাৰ হাতত 'ধৰা পৰি' গ'ল।

- **বাংখংঃ** টুনীক আপোন কৰি ল'ব বিচৰা ৰাভা যুৱক দুজনৰ ভিতৰত বাংখং এজন। প্রেমৰ প্রতিদ্বন্দ্বী বুলি বিবেচনা কৰা থাংৰিঙে টুনীৰ বাবে এথোপা ফুল অনাত সিয়ো টুনীৰ বাবে ফুলআনিবলৈ পাহাৰলৈ ঢাপলি মেলিলে। কিন্তু তাকে কৰিবলৈ যাওঁতে সি আঘাতপ্রাপ্ত হয় আৰু তাক শুশ্রূষা কৰিবলৈ টুনী তৎপৰ হ'ল। টুনীৰ সেই পৰিচর্যাই বাংখঙৰ মনত পৰম শান্তি দিছিল। সি সুস্থ হৈ উঠিল। পথাৰত টুনী আৰু থাংৰিঙে গৰু চৰাই থাকোঁতে নাহৰফুটুকী বাঘে দামুৰি এটা কামুৰি লৈ যোৱাৰ বাতৰি বাংখঙে পোৱাৰ পিছত সি তাৰ লগত থকা শিঙাটো বজাই গঞা ৰাইজক একগোট কৰি সন্ত্রাস সৃষ্টি কৰিব খোজা নাহৰফুটুকী বাঘটো মৰাই গো-কুলক ৰক্ষা

কৰিলে। বাঘটো মৰাৰ পিছত টুনীয়ে বাংখঙৰ লগত খোজকাঢ়ি যোৱাতো থাংৰিঙৰ সহ্য হোৱা নাছিল। অথচ থাংৰিঙৰ মনত এইটো ভাব অহা নাছিল যে সি কামৰ সময়ত বাঁহী বজাই কৰ্তব্যক অৱহেলা কৰাৰ বাবেই সিদিনা গৰুৰ জাকটোৰ পৰা দামুৰি এটা সেইদৰে বাঘৰ চিকাৰ হৈছিল। ঈৰ্ষাবশতঃ বাংখং থাংৰিঙৰ হাতত শাৰীৰিকভাৱে অপদস্থ হোৱাৰ উপক্রম হৈছিল যদিও উপস্থিত বুদ্ধিসম্পন্ন ডেকা বাংখং তেনে অপ্রীতিকৰ পৰিস্থিতিৰ পৰা হাত সাৰিছিল। তাৰ মনটো বৰ কোমল আছিল। সি টুনীৰ ভাল লগা-বেয়া লগা আদি মনোভাববোৰ বুজিবলৈ চেষ্টা কৰিছিল। তাইৰ আগ্রহৰ প্রতি লক্ষ্য ৰাখি উপহাৰ দিয়া টুনী চৰাইটোৱে টুনীক আনন্দিত কৰিছিল। চৰাইটোৰ মৃত্যুৱে তাইক সমানে ব্যথিত কৰিছিল। পৰৱর্তী সময়ত ভন্দৰা চিপাহীৰআধিপত্য দেখি বাংখঙোভন্দৰাৰ নিচিনাকৈ চিপাহী হ'বলৈ জিলালৈ ঢাপলি মেলিলে। যোৱাৰ আগতে সি টুনীৰ পৰা এইটো প্রতিশ্রুতি ল'লে যেন তাই সি ঘূৰি অহালৈ অপেক্ষা কৰে। গল্পটোত বাংখঙে চিপাহীৰ চাকৰি পোৱাৰ ইঙ্গিত নাই যদিও জিলাৰ পৰা সি টুনীলৈ পঠিওৱা পার্চেলত থকা ৰুমালখন আৰু গোন্ধ তেলৰ বটলটোৰ পৰা বুজা যায় যে সি তাৰ লক্ষ্যত উপনীত হ'ল। বাংখঙৰ পৰা পোৱা উপহাৰে টুনীক সোঁৱৰাই দিলে যে তাই বাংখঙক দিয়া প্রতিশ্রুতি পাহৰি ভন্দৰাক বৰিবলগীয়া হ'লে পাপপূর্ণ আচৰণ কৰা হ'ব। তাইৰ মনত মানসিক সংঘাত আৰম্ভ হ'ল।

চৰিত্র হিচাপে বাংখং সিমান সক্রিয় নহয় যদিও তাৰ মনত টুনীক লাভ কৰিবলৈ যি আকাংক্ষা আছিল তাত কোনো ধৰণৰ কুটিল চিন্তাৰ ৰেখ নাছিল। এইটো সত্য যে সি টুনীক ভন্দৰাৰ প্রভাৱৰ পৰা মুক্ত কৰিব পৰা নাছিল। কিন্তু মনৰ দৃঢ়তাৰ গুণত জিলালৈ গৈ হয়তো টুনীক দিয়া প্রতিশ্রুতি পূৰণৰ পথত আগবাঢ়িছিল। সেইবাবে সবলতা নাথাকিলেও চৰিত্রৰ নির্মলতাৰ বাবে বাংখং 'টুনী' গল্পৰ এটা উল্লেখযোগ্য চৰিত্র।

- **থাংৰিংঃ** 'টুনী' গল্পটোত টুনীৰ প্রেম পাবলৈ ব্যাকুল দুই প্রতিদ্বন্দ্বী ৰাভা যুৱকৰ ভিতৰত থাংৰিং দ্বিতীয়জন যুৱক। তাৰ প্রতিদ্বন্দ্বী হৈছে বাংখং। বাংখঙৰ দৰে থাংৰিঙো প্রেমৰ ক্ষেত্রত সংবেদনশীল আছিল। সি টুনীৰ মন পাবলৈ ফুলৰ থোপা আনি তাইক যাচিছিল। তাৰ চৰিত্রত মানৱীয়তাবোধৰ অভাৱ আছিল। ফুল আনিবলৈ গৈ আঘাতপ্রাপ্ত হোৱা বাংখঙক পৰিচর্যা কৰা টুনীকো সি গৰু বিচাৰিবলৈ যাবলৈ লগ লৈছে। সি বাংখঙক অহৰহ তাৰ প্রতিদ্বন্দ্বী বুলিলেই ভাবি থাকিল। তেনে পৰিস্থিতিত সি মানৱীয়তাৰ খাতিৰত টুনীক বাংখঙক পৰিচর্যা কৰিবলৈ দি নিজেই অকলে গৰু বিচাৰি যাব পাৰিলেহেঁতেন। এইখিনিতে থাংৰিং চৰিত্রৰ ঋণাত্মক (Negative) ভাবনা ফুটি উঠিছে। কেৱল সিমানেই নহয়, সি পৰৱর্তী সময়ত বাংখঙক প্রাণে মাৰিবলৈকে চেষ্টা চলাইছিল, দৈৱাৎ বাংখং ৰক্ষা পৰিল।

সি টুনীক নিজৰ কৰি ল'বলৈ ইমান ব্যগ্র হৈ পৰিছিল যে তাৰ সেই মনোদ্দশা দেখি তাৰ দেউতাকে যুক্তিহীন 'জাতীয় পৰম্পৰা'ৰ আধাৰত 'মূৰত তেল-পানী' দি জোৰকৈ জব্দ কৰি টুনীক বোৱাৰী কৰিব খুজিছিল। জিলাৰ পৰা অহা ভন্দৰা চিপাহীৰ মধ্যস্থতাত টুনী ৰক্ষা পৰিল। এফালৰ পৰা বিচাৰ কৰিলে থাংৰিং টুনীৰ প্রকৃত সুহৃদ হোৱাহেঁতেন নাৰী হিচাপে তাইৰ আত্মসন্মানত লগা তেনে এক ঘৃণনীয় পদক্ষেপ গ্রহণ কৰাত দেউতাকক বাধা দিলেহেঁতেন। কিন্তু সি তেনেকুৱা নকৰি নীৰৱে যেন সেই ঘৃণনীয়, নাৰীৰ আত্মসন্মানত আঘাত সনা কুসংস্কাৰপূর্ণ প্রথাৰ প্রতি সমর্থন জনাইছিল।

গল্পটোৰ কাহিনীভাগৰ নাটকীয় অথচ হতাশজনক পৰিণতিটোত থাংৰিঙৰ ভূমিকা নথকা নহয়। সেই ফালৰ পৰা বিচাৰ কৰিলে থাংৰিঙক এটা স্বার্থপৰ চৰিত্র বুলি বিনা দ্বিধাই কৈ দিব পাৰি।

- **ভন্দৰা চিপাহী ঃ** 'বৰ গছ নথকা ঠাইত এৰা গছেই বৰগছ' —এই কথাষাৰ ভন্দৰা চিপাহীৰ কাম-কাজে প্রতিপন্ন কৰিছে।'টুনী' গল্পত ভন্দৰা চিপাহী এনে এটা চৰিত্র যিয়ে আকস্মিকভাৱে কাহিনীৰ পটভূমিত আবির্ভূত হৈ পৰিৱেশ-পৰিস্থিতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিবলৈ সমর্থ হৈছে। গল্পকাৰে যিখন জনজাতীয় ৰাভা সমাজৰ চিত্র অঙ্কন কৰিছে, সেইখন সমাজত চিপাহীৰ চাকৰি পোৱাতো মর্যাদাৰ চিন বুলি বিবেচিত হৈছিল। সেইখন সমাজত চিপাহীৰ আদৰ ৰজাতুল্য বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব। 'টুনী' গল্পত ভন্দৰা নামৰ চিপাহীজনে সুযোগৰ পূর্ণ ব্যৱহাৰ কৰি টুনীহঁতৰ গাঁৱৰ সকলোৰে ওপৰত প্রভাৱ বিস্তাৰ কৰি নিজৰ স্বার্থসিদ্ধিৰ পথত আগবাঢ়িছে। সি চিপাহী হোৱা সত্ত্বেও অন্যান্য ডেকাৰ দৰে কামনা-বাসনা যুক্ত সাধাৰণ পুৰুষেই আছিল। স্বাভাৱিকতে টুনীৰ নিচিনা জাকত জিলিকা গাভৰুৰ প্রতি আকর্ষণবোধ কৰাটো তেনেই স্বাভাৱিক কথা। তদুপৰি টুনীয়ে কাকো বাগ্‌দান কৰা নাছিল। সেইবাবে সি বাংখং আৰু থাংৰিঙৰ অনুপস্থিতিৰ সুযোগ লৈ টুনীক বিবাহ কৰিবলৈ আগবাঢ়িছিল। অৱশ্যে সেই আয়োজন কিমান দূৰ সার্থক হ'ল তাৰ লেখ গল্পকাৰে নিদিলে।

অৱশ্যে ভন্দৰাৰ চিন্তা কিছু সংস্কাৰমুক্ত আছিল। সেইবাবে টুনীক পৰম্পৰাৰ নামত যি প্রথাৰ মাজেদি বোৱাৰী কৰোৱাৰ বাবে থাংৰিঙৰ মাক-বাপেকে যি কূট-কৌশল কৰিছিল, তাৰ পৰা ৰক্ষা কৰিবলৈ সমর্থ হৈছিল। ভন্দৰাই কুসংস্কাৰাচ্ছন্ন সমাজখনলৈ প্রগতিৰ বতৰা কঢ়িয়াই আনিবলৈ প্রয়াস কৰিছিল যদিও তাৰ স্বার্থপৰতাই তাৰ সেই গুণ ঢাকি দিলে। ফলত চৰিত্রটো নিষ্প্রভ হৈ থাকিল।

অন্যান্য গৌণ চৰিত্রৰ ভিতৰত টুনীৰ পিতৃ-মাতৃ, থাংৰিঙৰ পিতৃ আৰু গাঁৱৰ অন্যান্য সদস্য-সদস্যাৰ কথা ক'ব পাৰি। সেই চৰিত্রবিলাক নির্দিষ্ট গঢ়ত সজা একোটা স্থিৰ চৰিত্র। সেইবিলাক চৰিত্রই গতানুগতিক জীৱনৰ পৰিধিতে সীমাবদ্ধ থাকি ভাল

পায়। সিবিলাকে পুৰণি নীতি-নিয়ম, পৰম্পৰাৰ অনুগামী হৈ স্বাভাৱিক জীৱন-যাপন কৰিবলৈ ভাল পোৱা চৰিত্ৰ। সন্তানৰ মঙ্গলৰ বাবে নিজে যি উচিত বিবেচনা কৰিছে টুনীৰ মাক-দেউতাক আৰু থাংৰিঙৰ দেউতাকে তাকে কৰিবলৈ চেষ্টা কৰিছে। তাত একো অস্বাভাৱিকতা নাই। পার্থক্য মাথোন ইয়াতেই যে থাংৰিঙৰ দেউতাকে এটা অমানৱীয় পন্থা অৱলম্বন কৰি টুনীক ঘৰৰ বোৱাৰী কৰিবলৈ চেষ্টা কৰিছিল। পৰিণতি স্বৰূপে তেওঁৰ বহুতো জ্ঞাতি-কুটুম্বই অকাৰণতে কষ্ট ভোগ কৰিবলগীয়া হৈছিল।

৭.৪.৪ গল্পটোৰ বিশেষত্ব

অসমীয়া কথা-সাহিত্যত যিসকল লেখকে জনজাতীয় সমাজভিত্তিক গল্প ৰচনা কৰিছিল তাৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীও এজন। তেওঁ গোৱালপাৰা অঞ্চলৰ ৰাভা সমাজক কেন্দ্ৰ কৰি 'টুনী' গল্পটো ৰচনা কৰিছে। গল্পটোৰ মূল বিষয়বস্তু প্ৰেম। পিছে কাহিনীৰ মাজেদি ৰাভা জনজীৱন, লোকমনৰ আশা-অনুভূতি আৰু ৰাভাসকলৰ সাংস্কৃতিক জীৱনৰ কিছু দিশ ভাস্বৰ হৈছে।

ৰাভা সমাজত কিছুমান ৰাজহুৱা কামত যুৱক-যুৱতী সকলোৱে সমান প্ৰাধান্য লাভ কৰে। টুনীয়ে থাংৰিং আৰু বাংখঙৰ লগত ৰাজহুৱা চৰণীয়া পথাৰত গৰু চৰাবলৈ যোৱাতো তাৰেই নিদর্শন। তেনে যোগাযোগে যুৱক-যুৱতীৰ মনত কেতিয়া ৰোমাণ্টিক প্ৰেমৰ উদ্ৰেক কৰে যিটো টুনী আৰু থাংৰিং-বাংখং আদিৰ ক্ষেত্ৰতো হৈছিল।

নৰ-নাৰীৰ প্ৰেমৰ স্বীকৃতি স্বৰূপে মিলনৰ বাবে সমাজৰ স্বীকৃতি আৰু মান্যতাৰ প্ৰয়োজন। ইয়াত দুই প্ৰকাৰৰ সামাজিক স্বীকৃতিৰ কথা দেখুওৱা হৈছে। এটা প্ৰথা মতে ঈপ্সিত গাভৰু গৰাকীক বৰ পক্ষীয় মানুহে 'জন্তু ঘেৰি আবদ্ধ' কৰাৰ দৰে তাইক অকলশৰীয়া অৱস্থাত তেনেকৈ সিপক্ষই ঘেৰি লৈ তাইৰ মতামতলৈ ভ্ৰূক্ষেপ নকৰি তাইৰ 'মূৰত তেল-পানী' দি বোৱাৰী কৰিছিল। কন্যাৰ পিতৃকূলে সেই প্ৰথাক আওকাণ কৰিব নোৱাৰিছিল।

অন্য এটা প্ৰথা হ'ল কইনা খোজা-বঢ়া কৰি বিয়া কৰাই নিয়া— যিটো ভন্দৰাই কৰিছিল। এই প্ৰথা মতে দৰা বা দৰাৰ পৰিয়ালে ভাৰ-ভেটি দি কন্যাৰ পিতৃ-মাতৃক ৰাইজক সাক্ষী কৰি কন্যা খোজে। সকলোৰে সন্মতি লোৱাৰ পিছত ভোজ-ভাত আৰু ৰং-ৰহইচপূর্ণ উৎসৱ আয়োজনৰ মাজেদি বিবাহ অনুষ্ঠিত হয়। তেনে বিবাহৰ লগত নানা লোকাচাৰ আৰু অন্যান্য ক্ৰিয়া জড়িত।

এইদৰে এই গৰাকী জনজাতীয় মূলৰ অসমীয়া সাহিত্যিকে তেওঁৰ গল্প ৰচনাৰ মাজেদি জনজাতীয় জীৱনৰ বৈশিষ্ট্যপূর্ণ পৰম্পৰা আৰু বিশ্বাস চিত্ৰিত কৰিবলৈ সমর্থ কৰিছে। তদুপৰি মূল কাহিনী ভাগৰ লগত এই চিত্ৰসমূহ এনেভাবে সম্পৃক্ত হৈ আছে যে সেইবোৰৰ অৱস্থিতিয়ে 'টুনী' গল্পটোক এক বিশিষ্টতা প্ৰদান কৰিছে।



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ আলোচনাৰ মাজেদি আমি অসমীয়া সাহিত্যৰ এগৰাকী একনিষ্ঠ সাধক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে জানিলোঁ।
- নানা প্ৰতিকূল স্থিতিৰ মাজতো তেওঁ কি দৰে ভাষা জননীৰ সেৱাত মগ্ন হৈছিল তাৰ মনোজ্ঞ লেখ পালোঁ।
- *আৰাহনৰ* স্ৰষ্টা ৰূপে নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৰিচয় লাভ কৰিলোঁ।
- 'টুনী' গল্পটোৰ মাজেদি কেইটামান আশাহত মনৰ উমান পালোঁ। সেই অসফলতাৰ মাজেদি চৰিত্ৰসমূহ বিশ্লেষণ কৰাৰ অৱকাশ নথকা নহয়।
- 'টুনী' গল্পটোৰ মাজেদি ৰাভা সমাজ জীৱনৰ বহুৰঙী দিশ কিছুমানৰ ধাৰণা লাভ কৰিলোঁ। ইয়ে গল্পকাৰৰ সাংস্কৃতিক চিন্তা আৰু চেতনাৰ উমান দিয়ে।



৭.৬ অধিক জানিবলৈ

1] গোস্বামী, ত্ৰৈলোক্যনাথ [2006] ঃ *আধুনিক গল্প সাহিত্য*, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

2] দত্ত, উদয় (1995] ঃ *চুটিগল্প*, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

3] ভট্টাচাৰ্য্য, বসন্ত কুমাৰ (2003] ঃ *অসমীয়া চুটিগল্পৰ সুবাস*, নলবাৰী ঃ জাৰ্ণেল এম্প'ৰিয়াম।

4] শৰ্মা, বসন্ত কুমাৰ (1978] ঃ *নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।



৭.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ জীৱনৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ বাচি উলিয়াই তাৰ আধাৰতে তেওঁৰ ব্যক্তিত্ব মূল্যায়ন কৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিকূল পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত থাকিও ল'ৰালিকালৰ পৰাই নগেন্দ্ৰ নাৰায়ণৰ অসমীয়া ভাষাৰ প্ৰতি থকা অনুৰাগৰ বিষয়ে লিখিব লাগিব... ...অসমীয়া ভাষাটো আয়ত্ব কৰি তেওঁ কেনেকৈ অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাকাৰী সেৱক ৰূপে প্ৰতিষ্ঠা কৰিলে তাৰ লেখ দিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 7.3.1 নং উপশাখাৰ আলোচনাৰ আধাৰত এইপ্ৰশ্নৰ উত্তৰটো লিখি উলিয়াব।



৭.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ জীৱন আৰু কৃতিৰ মূল্যায়ন কৰক।

প্ৰশ্ন ২ ঃ *আৰাহনৰ* স্ৰষ্টা ৰূপে নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ ভূমিকা কি? এই সৃষ্টিৰ নেপথ্যৰ কাহিনী কি?

প্ৰশ্ন ৩ ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ 'টুনী' গল্পটোৰ আলোচনাৰ মাজেদি মানৱ চৰিত্ৰৰ দোষ-দুৰ্বলতাসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ এটা আকৰ্ষণীয় কাহিনী থকা সত্ত্বেও 'টুনী' গল্পটোৰ পৰিণতি হতাশজনক হোৱাৰ কাৰণ কি?

প্ৰশ্ন ৬ ঃ 'টুনী' গল্পটোৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৭ ঃ জনজাতীয় সমাজ জীৱনৰ চিত্ৰণ 'টুনী' গল্পত কি দৰে হৈছে? বিচাৰ কৰক।

*** ***** ***